দৈনিক অগ্ৰদূত ৭/৮/১৫

## ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ লেহেমীয়া গতিত আহুকাল

# দৈনিক বিকল হয় কম্পিউটাৰ ঃ কৰ্তৃপক্ষ নিৰৱ

অগ্ৰদূত বাৰ্তা

**কচুবা, ৬ আগষ্ট ঃ** কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত গৰুবাটৰ মাধৱপাৰা পঞ্চায়তৰ কেন্দ্ৰত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম লেহেমীয়া গতিত আগবাঢ়িছে। পঞ্চায়তখনত মুঠ ২,৮৮৬টা পৰিয়ালৰ মাজত এন আৰ চিৰ প্ৰপত্ৰ ৪,১৮০খন বিতৰণ কৰা হৈছে বুলি এল আৰ চি আৰ বিনয় দাসে জানিবলৈ দিয়ে। কেন্দ্ৰটোত এক জুলাইৰ পৰা এমাহত মাত্ৰ ৪১০খনহে প্ৰ-পত্ৰ জমা ল'বলৈ সক্ষম হৈছে। এল আৰ চি আৰজনৰ লগতে কেন্দ্ৰটোৰ কম্পিউটাৰ পৰিচালক ক্ৰমে খাইৰুল ইছলাম আৰু ৰফিকুল ইছলামে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে, কেন্দ্ৰটোত চলি থকা দুয়োটা কম্পিউটাৰ চেট দিনটোৰ ভিতৰত এবাৰ হ'লেও বিকল হয়। এই সন্দৰ্ভত সংশ্লিষ্ট বিভাগীয় জিলা কৰ্তৃপক্ষক জনালেও আওকণীয়া মনোভাৱ গ্ৰহণ কৰে।

ইপিনে, মাধৱপাৰা পঞ্চায়তৰ সম্পাদক ৰুহুল আমিন চৌধুৰী মাহটোৰ ১০ দিনো পঞ্চায়তখনত উপস্থিত নথকাৰ অভিযোগ উঠিছে। ফলত এন আৰ চিৰ সম্পৰ্কীয় যাৱতীয় নথি-পত্ৰ স্থানীয় ৰাইজে জমা দিয়া, বিবাহৰ প্ৰমাণপত্ৰ সময় মতে পোৱাত অনেক আহুকালে দেখা দিছে। বিবাহৰ প্ৰমাণপত্ৰ সময়মতে নোপোৱাত কেন্দ্ৰটোৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ অগ্ৰগতি লেহেমীয়া হোৱাৰ এক কাৰণ বুলি ৰাইজে দাবী কৰে। পঞ্চায়ত সচিবৰ কেন্দ্ৰটোত অনিয়মীয়া উপস্থিতিয়ে কেন্দ্ৰটোৰ বাহিৰে-ভিতৰে এন আৰ চি সম্পৰ্কীয় যাৱতীয় কাম-কাজত স্থানীয় একাংশ অসাধু লোকে অনিয়মৰ মাজেদি ধন ঘটিবলৈ উঠিপৰি লগাৰ অভিযোগ উঠিছে। ইপিনে, পঞ্চায়তৰ আওপুৰণি এটি সৰু কোঠালিত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ উন্নীতকৰণৰ কাম চলাব লগা হোৱাত বিষয়াসকলে অনেক অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছে। কেন্দ্ৰটোত খোৱা পানীৰ ব্যৱস্থা নাই আৰু পাহৰীয়া অঞ্চল হেতুকে দমকলো নাই। সেয়ে উৎকট গৰম সহিব নোৱাৰি বিষয়াই পকেটৰ ধন ব্যয় কৰি বিজুলী পাংখাৰ ব্যৱস্থা কৰিব লগা হৈছে।